নিশ্চয় আল্লাহে যেতিয়া কোনো বান্দাক ভাল পায়, তেতিয়া জিব্ৰীল আলাইহিচ্ছালামক মাতি কয়: 'মই অমুক বান্দাক ভাল পাওঁ, তুমিও তাক ভাল পোৱা'। তেখেতে কৈছেঃ তেতিয়া জিব্ৰীলেও তাক ভাল পায়।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "নিশ্চয় আল্লাহে যেতিয়া কোনো বান্দাক ভাল পায়, তেতিয়া জিব্ৰীল আলাইহিচ্ছালামক মাতি কয়: 'মই অমুক বান্দাক ভাল পাওঁ, তুমিও তাক ভাল পোৱা'। তেখেতে কৈছেঃ তেতিয়া জিব্ৰীলেও তাক ভাল পায়। ইয়াৰ পিছত তেওঁ আকাশমণ্ডলত ঘোষণা দি কয়: নিশ্চয় 'আল্লাহে অমুক বান্দাক ভাল পায়, তোমালোকে তাক ভাল পোৱা'। তেতিয়া আকাশবাসীসকলে তাক ভাল পায়। তেখেতে কৈছেঃ ইয়াৰ পিছত তাক পৃথিৱীত নন্দিত সমাদৃত কৰা হয়। পক্ষান্তৰে আল্লাহে যেতিয়া কোনো বান্দাক অপছন্দ কৰে, তেতিয়া জিব্ৰীল আলাইহিচ্ছালামক মাতি কয়: 'মই অমুক বান্দাক অপছন্দ কৰোঁ, তুমিও তাক অপছন্দ কৰা'।
তেখেতে কৈছেঃ তেতিয়া জিব্ৰীলেও তাক অপছন্দ কৰে। ইয়াৰ পিছত তেওঁ আকাশবাসীসকলৰ মাজত ঘোষণা কৰি দিয়ে যে, 'আল্লাহে অমুক বান্দাক অপছন্দ কৰে, তোমালোকেও তাক অপছন্দ কৰা'। তেখেতে কৈছেঃ তেতিয়া তেওঁলোকেও তাক অপছন্দ কৰে, আৰু পৃথিৱীত তাক সকলোৱে ঘৃণা
কৰিবলৈ ধৰে।"
[صحيح مسلم] [ছহীহ[

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত উল্লেখ কৰিছে যে, মহান আল্লাহে যেতিয়া কোনো মুমিন বান্দাক ভালপায়, যিয়ে তেওঁৰ আদেশ পালন কৰে আৰু তেওঁৰ নিষেধকৃত বিষয়সমূহৰ পৰা আঁতৰি থাকে, তেতিয়া তেওঁ জিব্ৰীলক মাতি কয়ঃ আল্লাহে অমুক ব্যক্তিক ভালপায়, গতিকে তুমিও তাক ভালপোৱা। তেতিয়া ফিৰিস্তাসকলৰ চৰ্দাৰ জিব্ৰীল আলাইহিচ্ছালামেও তাক মুহাব্বত কৰে। লগতে জিব্ৰীলে আকাশমণ্ডলত থকা ফিৰিস্তাসকলৰ মাজত ঘোষণা কৰি দিয়ে যে, তোমালোকৰ প্ৰতিপালকে অমুক ব্যক্তিক ভালপায়, গতিকে তোমালোকেও তাক মুহাব্বত কৰা। তেতিয়া আকাশৰ অধিবাসীসকলেও তেওঁক ভালপোৱা আৰম্ভ কৰে। ইয়াৰ পিছত মুমিনসকলৰ অন্তৰত তেওঁৰ মুহাব্বত আৰু তেওঁৰ প্ৰতি আকৰ্ষণ আৰু সন্তুষ্টি স্থাপন কৰা হয়। আনহাতে যেতিয়া আল্লাহে কোনো বান্দাক অপছন্দ কৰে, তেতিয়া জিব্ৰীলক মাতি কয়ঃ মই অমুকক অপছন্দ কৰোঁ, তুমিও তাক অপছন্দ কৰা। ফলত জিব্ৰীলেও তাক অপছন্দ কৰে। ইয়াৰ পিছত জিব্ৰীলে আকাশমণ্ডলৰ অধিবাসীসকলক মাতি কয়ঃ তোমালোকৰ প্ৰতিপালকে অমুক ব্যক্তিক অপছন্দ কৰে, গতিকে তোমালোকেও তাক অপছন্দ কৰা। তেতিয়া তেওঁলোকেও তাক অপছন্দ কৰে। ইয়াৰ পিছত মুমিনসকলৰ হৃদয়ত সেই ব্যক্তিৰ প্ৰতি অসন্তুষ্টি আৰু ঘৃণা স্থাপন কৰি দিয়ে।

http://sunnah.global/hadeeth/as/show/6458